# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাজ্যপালসকলৰ দুদিনীয়া সন্মিলনৰ কালি ৰাষ্ট্ৰপতি ভৱনত সামৰণি পৰে।

২। কেন্দ্ৰীয় ইলেক্‌ট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, অসমৰ মৰিগাঁৱত টাটাৰ অৰ্ধপৰিবাহী গোটৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে মানৱ অংগ পৰিবহণৰ মানসম্পন্ন পৰিচালন বিধি জাৰি কৰিছে।

৪। লক্ষ্য সেন আজি পেৰিছ্ অলিম্পিকত পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব। একেদৰে টকিঅ' অলিম্পিকত পদক বিজেতা লাভলীনা বৰগোহাঁইয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলিব।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কলম্বোত অনুষ্ঠিত হ'ব।

ooooo

ৰাজ্যপালসকলৰ দুদিনীয়া সন্মিলনৰ কালি ৰাষ্ট্ৰপতি ভৱনত সামৰণি পৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামৰণি মন্তব্যত পাৰস্পৰিক শিকনৰ মনোভাৱেৰে সৰ্বাত্মক আলোচনাৰ বাবে ৰাজ্যপালসকলে চলোৱা সমূহীয়া প্ৰচেষ্টাৰ শলাগ লয়। জনসাধাৰণৰ কল্যাণ আৰু ৰাজ্যপালৰ কাৰ্যালয়ৰ কাম-কাজ উন্নত কৰি তোলাৰ বাবে লাভ কৰা পৰামৰ্শসমূহ ৰূপায়ণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমুৰ্মুৱে কয় যে, দেশৰ উন্নয়ন ৰাজ্যসমূহৰ সৰ্বাত্মক আৰু ক্ষীপ্ৰ উন্নয়নৰ ওপৰত নিৰ্ভৰ কৰে আৰু সকলো ৰাজ্যই পৰস্পৰৰ শ্ৰেষ্ঠ কাৰ্য শৈলী আৰু অভিজ্ঞতাৰ পৰা শিক্ষা লৈ আগবঢ়া উচিত।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, কোনো যোগ্য হিতাধিকাৰী যাতে জনকল্যাণ কাৰ্যসূচীসমূহৰ পৰা বাদ পৰি যাবলগীয়া নহয় তাক সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সমাজৰ শেষৰজন ব্যক্তিকো সামৰি লোৱাত বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু এই প্ৰচেষ্টাই জনসাধাৰণৰ জীৱন উন্নত কৰি তুলিছে। তেওঁ ৰাজ্যপালসকলক সকলো জনকল্যাণমূলক আঁচনিৰ লাভ যাতে যোগ্য হিতাধিকাৰীসকলে লাভ কৰে তাক সুনিশ্চিত কৰিবলৈ কৈছে। এনে কৰিলেহে প্ৰকৃত অৰ্থত সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পৰা যাব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজভৱনৰ বাতাবৰণ অনুৰূপ হোৱা উচিত আৰু ৰাজ্যপালসকলে ৰাজভৱনৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে চেষ্টা চলোৱা উচিত।

সামৰণি অনুষ্ঠানত ভাষণ দি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে, এই দুদিনীয়া সন্মিলনে অংশগ্ৰহণকাৰীসকলৰ মানসপটত অমিত চাপ এৰি থৈ যাবলৈ সক্ষম হৈছে। তেওঁ কয় যে, ৰাজ্যপালসকলে তথ্য বিচৰাৰ ক্ষেত্ৰত কুণ্ঠাবোধ কৰা উচিত নহয় আৰু তেওঁলোকে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সৈতে অহৰহ যোগাযোগ বৰ্তাই ৰখা উচিত।

সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপালসকলক ৰাজভৱনত শাসনৰ আদৰ্শ আৰ্হি বিকশাই তুলিবলৈ আহ্বান জনায়। তেওঁ কয় যে, ৰাজভৱনৰ কাম-কাজ ফলপ্ৰসূ কৰি তোলাৰ বাবে কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ অৰ্থে অহৰহ প্ৰচেষ্টা অব্যাহত ৰখা উচিত। তেওঁ লগতে কাম-কাজত প্ৰযুক্তিক আকোঁৱালি ল'বলৈ আৰু ডিজিটীয়কৰণৰ প্ৰসাৰৰ অৰ্থে কাম কৰিবলৈ ৰাজ্যপালসকলৰ প্ৰতি আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে শৈক্ষিক চৌহদসমূহক ড্ৰাগছ মুক্ত কৰি তোলাৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাৰে কাম কৰিবলৈ আৰু গণ আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনায়। প্ৰাকৃতিক খেতি সন্দৰ্ভত গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰতে আগবঢ়োৱা পৰামৰ্শৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে অন্য ৰাজ্যপালসকলক ৰাজভৱনত প্ৰাকৃতিক খেতিৰ আৰ্হি বিকশাই তুলিবলৈ আৰু ৰাজভৱন চৌহদক ৰসায়ন মুক্ত কৰি তুলিবলৈ আহ্বান জনায়। ৰাজভৱনসমূহ আনৰ বাবে উৎসাহ আৰু অনুপ্ৰেৰণাৰ উৎস হোৱা উচিত বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যপালসকলৰ বিভিন্ন গোটে দাখিল কৰা প্ৰতিবেদন সন্দৰ্ভত কয় যে, ৰাজ্যপাল আৰু ৰাজভৱনসমূহৰ কাম-কাজ অধিক ফলপ্ৰসূ কৰি তোলাৰ বাবে প্ৰতিবেদনসমূহৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ ৰূপায়ণ কৰা হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্ট ভ্ৰমণ কৰিব। এয়া হ'ব ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ফিজি তথা টিম'ৰলেষ্ট ভ্ৰমণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট নীতি ঘোষণা কৰাৰ পাছৰে পৰা ভাৰতে দক্ষিণ-পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফিজিত উপস্থিত হৈ ৰাষ্ট্ৰপতি কেট'নিৱেৰে আৰু প্ৰধানমন্ত্ৰী ছিটিৱেণী ৰাবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ৰাষ্ট্ৰপতিয়ে ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতিয়ে ৮ আগষ্টত নিউজিলেণ্ডত উপস্থিত হ'ব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে গৱৰ্ণৰ জেনেৰেল ছিন্দি কিৰো আৰু প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব আৰু অকলেণ্ডত প্ৰৱাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব।

শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত ১০ আগষ্টত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাষ্ট্ৰপতি জোচে ৰামোচ হোৰ্টাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। টিমৰৰ প্ৰধানমন্ত্ৰী কে ৰালা জেনানা গুছম'য়ো ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰিব।

ooooo

কেন্দ্ৰীয় ইলেক'ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, অসমৰ মৰিগাঁৱত টাটাৰ অৰ্ধপৰিবাহী গোটৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। নতুন দিল্লীত কালি এই প্ৰকল্পৰ সবিশেষ প্ৰকাশ কৰি শ্ৰীবৈষ্ণৱে কয় যে, ২৭ হাজাৰ কোটি টকা বিনিয়োগেৰে এই প্ৰকল্পটো স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে ১৫ হাজাৰ প্ৰত্যক্ষ তথা

১১ৰ পৰা ১৩ হাজাৰ পৰোক্ষ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, এই প্ৰকল্পটোত দৈনিক ৪ কোটি ৮৩ লাখ অৰ্ধপৰিবাহী চিপ উৎপাদন কৰিব পৰা যাব। তেওঁ কয় যে, এই প্ৰকল্পত উৎপাদন হ'বলগীয়া চিপসমূহ বৈদ্যুতিন বাহন, যোগাযোগ আৰু নেচৱৰ্ক পৰিকাঠামোত ব্যৱহাৰ কৰা হ'ব। চলিত বৰ্ষৰ ২৯ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় মন্ত্ৰীসভাই মৰিগাঁৱত টাটাৰ অৰ্ধপৰিবাহী গোট নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনাইছিল বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে স্থলপথ, জলপথ আৰু আকাশীপথৰ দৰে ভ্ৰমণৰ বিভিন্ন মাধ্যমেৰে মানৱ অংগ পৰিবহণৰ মানসম্পন্ন পৰিচালন বিধি জাৰি কৰিছে। এই মানসম্পন্ন পৰিচালন বিধি সমগ্ৰ দেশত অংগ সংৰোপনৰ সৈতে জড়িতসকলৰ বাবে পথ প্ৰদৰ্শক নথি হ'ব। স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই কয় যে, ইয়াৰ ফলত অংগ সংৰোপনৰ গুণগত মান উন্নত হ'ব। তেওঁ কয় যে, অংগসমূহ সঠিক সময়ত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ বাবে সংৰোপনৰ অপেক্ষাত থকা অগণন ৰোগীৰ জীৱন ৰক্ষা কৰিব পৰা যাব।

ooooo

বিদেশী পোৰ্টফলিঅ' বিনিয়োগকাৰীসকলে যোৱামাহত ভাৰতীয় শ্বেয়াৰ বজাৰত ৫৪ হাজাৰ ৭৮২ কোটি টকা বিনিয়োগ কৰিছে। নেচনেল চিকিউৰিটীছ ডিপোজিট'ৰী লিমিটেড এন এছ ডি এলৰ তথ্য অনুসৰি বিদেশী পোৰ্টফলিঅ' বিনিয়োগকাৰীসকলে এই সময়চোৱাত ইকুইটি বজাৰত ৩২ হাজাৰ ৩৬৪ কোটি টকা আৰু ঋণ বজাৰত ২২ হাজাৰ ৩৬৩ কোটি টকা বিনিয়োগ কৰিছে। ভাৰতীয় অৰ্থ ব্যৱস্থাৰ ভাল সম্ভৱনা, হাৰ হ্ৰাস আৰু চৰকাৰৰ বিত্তীয় অনুশাসনৰ বাবে বিনিয়োগ বৃদ্ধি পোৱা বুলি বিশেষজ্ঞসকলে প্ৰকাশ কৰিছে।

ooooo

৩২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় কৃষি সন্মিলনৰ বিদেশী প্ৰতিনিধিসকলে ভাৰতৰ কৃষি সম্ভাৱনা আৰু ইয়াৰ সামগ্ৰিক বিকাশ গাঁথাৰ শলাগ লৈছে। ছদিনীয়া এই সন্মিলনত অংশগ্ৰহণ কৰা বিভিন্ন ৰাষ্ট্ৰৰ বিশিষ্ট প্ৰতিনিধিসকলে কৃষিখণ্ডত ভাৰতৰ সাফল্য আৰু উদ্ভাৱনসমূহৰ ভূয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত এই সন্মিলন মুকলি কৰে। সন্মিলনত বিশ্বৰ ৭৫ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

বাংলাদেশৰ এগৰাকী প্ৰতিনিধি হাচিমে গোলকীয় কৃষি প্ৰেক্ষাপটত ভাৰতৰ স্থিতিৰ শলাগ লৈ কয় যে, ভাৰতে বহুতো কৃষিগত সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ নেতৃত্ব বহন কৰিছে। তেওঁ কয় যে, ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ পৰিৱেশতন্ত্ৰ আৰু শিক্ষা আন্তঃগাঁথনিয়ে ইয়াৰ কৃষিগত সাফল্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

কেনিয়াৰ প্ৰতিনিধি ড'ড' মাকৱালে কয় যে, কৃষিখণ্ডত ভাৰতে দ্ৰুতভাৱে বিকাশ লাভ কৰিছে আৰু ইয়াৰ গৱেষণামূলক কাম-কাজসমূহ সঁচাকৈয়ে প্ৰশংসনীয়।

ইপিনে, জাপানৰ এগৰাকী প্ৰতিনিধি চবৰেনে বিভিন্ন প্ৰকাৰৰ কৃষিগত সামগ্ৰীৰ উৎপাদন আৰু ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থৰ প্ৰশংসা কৰে। তেওঁ লগতে পৰম্পৰাগত ব্যৱস্থা আৰু আধুনিক প্ৰযুক্তি সংমিশ্ৰণৰ ক্ষেত্ৰত ভাৰত আৰু অন্যান্য দেশৰ মাজৰ সহযোগিতাৰ প্ৰয়োজন সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে। সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, শক্তিশালী কৃষিখণ্ডৰ সৈতে ভাৰত খাদ্য সামগ্ৰী ৰাহি হোৱা দেশ হিচাপে পৰিগণিত হৈছে।

ooooo

লক্ষ্য সেন আজি পেৰিছ অলিম্পিকত পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত ডেনমাৰ্কৰ ভিক্টৰ এক্সেলছেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। একেদৰে টকিঅ' অলিম্পিকত পদক বিজেতা লাভলীনা বৰগোহাঁই আজি বিয়লি ৩ বাজি ২ মিনিটত মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ লি কিয়ানৰ সন্মুখীন হ'ব। ভাৰতীয় পুৰুষ হকী দলেও আজি গ্ৰেট ব্ৰিটেইনৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব।

শ্বুটিঙত কমনৱেলথ গেমছত সোণৰ পদক বিজেতা অনিশ ভানৱালা আৰু বিজয়বীৰ সিন্ধুই ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল শিতানৰ যোগ্যাতা নিৰূপণ ৰাউণ্ডত দেশৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই শিতানৰ খেল দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ইপিনে, পাৰুল চৌধৰীয়ে মহিলাৰ ৩ হাজাৰ মিটাৰ ষ্টিপলচেজৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হোৱাৰ বিপৰীতে জেচৱিন আলড্ৰিন দিনৰ আঢ়ৈ বজাত পুৰুষৰ লং জাম্পৰ যোগ্যতা নিৰূপণ ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ৩০ মিনিটত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ' হোৱাৰ পাছত দুয়োটা দলেই আজিৰ খেলখনত জয়ী হোৱাৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

ooooo

**সমাপ্ত**